# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 18-04-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা চাৰে আঠ বজাত ৰাষ্ট্ৰক উদ্দেশি ভাষণ দিব।

২। কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰী আৰু পেঞ্চনাৰলৈ মৰগীয়া বানচ-মৰগীয়া সাহায্যৰ অতিৰিক্ত কিস্তি মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। পশ্চিম বংগৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

৪। ইৰানে হৰমুজ প্ৰণালী পুনৰ বন্ধ কৰা হৈছে বুলি ঘোষণা কৰিছে।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ দেলহী কেপিটেলছক ১৭৬ ৰানৰ লক্ষ্য।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা চাৰে আঠ বজাত ৰাষ্ট্ৰক উদ্দেশি ভাষণ দিব। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ সৈতে জড়িত সংবিধান সংশোধনী বিধেয়ক বিৰোধী পক্ষৰ দলসমূহৰ সমৰ্থন লাভ নকৰাৰ বাবে দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতাৰে গৃহীত নোহোৱাৰ এদিন পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে দিবলগীয়া এই ভাষণ বিশেষ তাৎপৰ্যপূৰ্ণৰূপে বিবেচিত হৈছে। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ মাধ্যমেৰে মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থা বলৱৎকৰণৰ সৈতে জড়িত প্ৰস্তাৱিত বিধেয়কখনে দীঘলীয়া বিতৰ্কৰ অন্তত সদনৰ অনুমোদন লাভ কৰাত ব্যৰ্থ হৈছে।

০০০০০

কেন্দ্ৰীয় কেবিনেটে আজি ধাৰাবাহিকভাৱে সামুদ্ৰিক বীমাৰ সুবিধাৰ বাবে ১২ হাজাৰ ৯৮০ কোটি টকাৰ সাৰ্বভৌম নিশ্চয়তাৰে ভাৰত সামুদ্ৰিক বীমা পুল নামেৰে ঘৰুৱা বীমা ব্যৱস্থাৰ সৃষ্টিৰ বাবে অনুমোদন জনায়। কেবিনেট বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ আগত জনায় যে এই পুলে যিকোনো আন্তঃৰাষ্ট্ৰীয় উৎপত্তিৰ ভাৰতীয় বন্দৰলৈ সামগ্ৰী কঢ়িয়াই অনা জাহাজসমূহৰ বাবে ভাৰতীয় বাণিজ্যই সুলভ মূল্যৰ বীমাৰ সুবিধা অব্যাহত ৰাখিছে। তেওঁ কয় যে এই পুলে ভাৰতীয় জাহাজ চলোৱাৰ ব্যৱস্থা আৰু নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা অনুসাৰে স্থানীয়ভাৱে বীমা পৰিচালনা কৰাত সহায় কৰিব তথা ভাৰতৰ ভিতৰত বিশেষ সামুদ্ৰিক ব্যৱস্থাপনা আৰু আইনী বিশেষজ্ঞতা গঢ়ি তুলিব। শ্ৰীবৈষ্ণৱে প্ৰস্তাৱিত ঘৰুৱা বীমা ব্যৱস্থাটোৱে সাৰ্বভৌম নিশ্চয়তাৰ লগতে আত্মনিৰ্ভৰশীলতা প্ৰদান কৰিব বুলি প্ৰকাশ কৰে।

আনহাতে, কেন্দ্ৰীয় মন্ত্ৰীসভাই পহিলা জানুৱাৰীৰ পৰা প্ৰযোজ্য কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকললৈ মৰগীয়া বানচ আৰু পেঞ্চনাৰসকললৈ মৰগীয়া সাহায্যৰ অতিৰিক্ত কিস্তি মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কৰ্মচাৰী আৰু পেঞ্চনাৰসকলক মূল্যবৃদ্ধিৰ পৰা সকাহ দিয়াৰ উদ্দেশ্যে মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে মৰগীয়া বানচ আৰু মৰগীয়া সাহায্য বৃদ্ধিৰ এই সিদ্ধান্ত ফলত

ৰাজকোষৰ ওপৰত বছৰি ছহেজাৰ ৭৯১ কোটি টকাৰ বোজা পৰিব। এই সিদ্ধান্তই ৫০ লাখৰো অধিক কেন্দ্ৰীয় কৰ্মচাৰী আৰু ৬৮ লাখৰো অধিক পেন্সনভোগী উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ২০২৮ চনৰ মাৰ্চ মাহলৈ অব্যাহত ৰখাৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনাইছে। তেওঁ লগতে এই আঁচনিৰ বাবে সংশোধীত ব্যয় ৮৩ হাজাৰ ৯৭৭ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে বুলিও উল্লেখ কৰে। ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ পথ আৰু দলং নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনাইছে। উল্লেখযোগ্য যে আজিৰ এই অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ কমিটীয়ে মুঠ ২৪ হাজাৰ ৮১৫ কোটি টকা ব্যয়সাপেক্ষে দুটা ৰে'ল প্ৰকল্পটো অনুমোদন জনায়। এই ৰে'ল প্ৰকল্পই ভাৰতীয় ৰে'লৱেৰ কাৰ্যকৰী দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতাৰ উন্নীতকৰণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ আৰু পেন্সনাৰসকলৰ মৰগীয়া সাহায্য ২ শতাংশকৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে লোৱা সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে চলিত বছৰৰ পহিলা জানুৱাৰীৰ পৰা এই নতুন ব্যৱস্থা কাৰ্যকৰী হ'ব। শ্ৰীশ্বাহে কয় যে এই সিদ্ধান্তই কৰ্মচাৰীসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ বিত্তীয় সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে যে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ সেই কথাকে প্ৰতিফলিত কৰিছে। শ্ৰীশ্বাহে লগতে কয় যে কেন্দ্ৰীয় মন্ত্ৰীসভাই ৮৩ হাজাৰ ৯৭৭ কোটি টকা ব্যয়সাপেক্ষে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ তৃতীয় পৰ্যায়ৰ কাম-কাজ চলাই যোৱাৰ ক্ষেত্ৰতো অনুমোদন জনাইছে। গ্ৰামীণ কৃষি বজাৰ, বিদ্যালয়, চিকিৎসালয়সমূহক উন্নত যোগাযোগ ব্যৱস্থাৰ সৈতে সংযুক্ত কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত গ্ৰাম্য অৰ্থনীতি শক্তিশালী হোৱাৰ লগতে নিয়োগৰ সুবিধা সৃষ্টি হ'ব আৰু যোগাযোগ ব্যৱস্থাও অধিক সুবিধাজনক হ'ব।

০০০০০

পশ্চিম বংগৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰচণ্ড গৰম সত্বেও ৰাজনৈতিক দলসমূহে তেওঁলোকৰ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে। বিজেপি নেতা তথা ৰাজ্যখনৰ বিৰোধী পক্ষৰ নেতা সুভেন্দু অধিকাৰীয়ে পূব মেদিনীপুৰৰ এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে দিলীপ ঘোষে খড়গপুৰত এখন নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰে। বিজেপি নেতাসকলে শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে অব্যৱস্থা আৰু দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ বংগত নিৰ্বাচনী প্ৰচাৰত ভাগ লয়। ৰাজ্যখনত আতংকময় পৰিস্থিতিয়ে বিৰাজ কৰিছে বুলি অভিযোগ কৰে। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে উত্তৰ চৌবিবছ পৰগনা জিলাৰ কামাৰহাটীত এখন নিৰ্বাচনী সভাত ভাগ লয়। ইপিনে, তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে পৰাজয়ৰ মুখ দেখিব বুলি মন্তব্য কৰে। তেওঁ কালি লোকসভাত সংবিধান সংশোধনী বিধেয়কখন গৃহীত নোহোৱাৰ বিষয়টো উত্থাপন কৰাৰ লগতে বিজেপিৰ নেতৃত্বকো সমালোচনা কৰে। তৃণমূল কংগ্ৰেছৰ অভিষেক বেনাৰ্জীয়ে মুৰ্ছিদাবাদৰ ফাৰাক্কাত এটা ৰোড শ্ব'ত ভাগ লয়। তেওঁ পশ্চিম বংগক অৱহেলা কৰা বুলি বিজেপিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। একেদৰে কংগ্ৰেছ নেতা তথা তেলেংগানাৰ মন্ত্ৰী মহম্মদ আজাহাৰউদ্দিনেও ইতিমধ্যে মুৰ্ছিদাবাদ জিলাৰ কেইবাখনো জনসভাত ভাষণ দিয়াৰ লগতে আজিৰ দিনটোতেই মালদাহ জিলাতো একাধিক জনসভাত অংশগ্ৰহণ কৰে।

বাঁওপন্থী দলকে ধৰি আন বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলেও ৰাজ্যখনৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

oooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ শ্ৰীলংকালৈ যাব। শ্ৰীৰাধাকৃষ্ণণৰ এয়া হৈছে প্ৰথমটো শ্ৰীলংকা ভ্ৰমণ। তেওঁ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেক সাক্ষাৎ কৰাৰ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী ড০ হাৰিণি আমাৰাসূৰ্যা আৰু আন প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হ'ব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে দেশখনত বাস কৰা ভাৰতীয় মূলৰ তামিল সম্প্ৰদায়ৰ নেতা আৰু শ্ৰীলংকাৰ উত্তৰ-পূব প্ৰান্তৰ তামিল নেতাসকলৰ সৈতেও মত-বিনিময় কৰিব। শ্ৰীৰাধাকৃষ্ণণে কলম্বোত হ'বলগীয়া এটা অনুষ্ঠানত ভাৰতীয় মূলৰ লোকসকলক সম্বোধন কৰাৰ লগতে তামিল সম্প্ৰদায়ৰ হিতাধিকাৰীসকলক ভাৰ্চুৱেল ব্যৱস্থাৰ মাধ্যমেৰে বাসগৃহৰ চাবিকাঠি প্ৰদান কৰিব। উল্লেখযোগ্য যে ভাৰত গৃহ নিৰ্মাণ প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ অংশ হিচাপে ভাৰত চৰকাৰৰ সহযোগিতাত এই বাসগৃহসমূহ নিৰ্মাণ কৰা হৈছে। দেশ দুখনৰ মাজত শেহতীয়াকৈ অনুষ্ঠিত উচ্চ পৰ্যায়ৰ আলোচনাৰ পাছত শ্ৰীৰাধাকৃষ্ণণৰ এই ভ্ৰমণ বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

ooooo

ইৰানে হৰমুজ প্ৰণালী পুনৰ বন্ধ কৰা হৈছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ জাহাজ চলাচল অৱৰোধ কৰাৰ পাছতে দেসখনে এই সিদ্ধান্ত লৈছে। ইৰানৰ যুঁটীয়া মিলিটেৰী কমাণ্ডে জনোৱা মতে সশস্ত্ৰ বাহিনীৰ নিয়ন্ত্ৰণত থকা হৰমুজ প্ৰণালীত এতিয়া পূৰ্বৰ দৰেই কঠোৰ ব্যৱস্থাপনা প্ৰয়োগ কৰা হ'ব। যেতিয়ালৈকে আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ জাহাজ চলাচল বন্ধ কৰি ৰাখিব তেতিয়ালৈকে হৰমুজ প্ৰণালীও বন্ধ থাকিব বুলি ইৰানে সকিয়াই দিছে। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰেল কমাণ্ডে জনোৱা মতে দেশখনে ইৰানৰ জাহাজ চলাচলৰ বাবে নদীপথ বন্ধ কৰি ২৩খন জাহাজ দেশখনলৈ ঘূৰাই পঠিয়াইছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে দেলহী কেপিটেলছক জয়ৰ বাবে ১৭৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। বাংগালুৰুৰ হৈ ফিল ছল্টে সৰ্বাধিক ৬৩ ৰান কৰে। দেলহি কেপিটেলছৰ অক্ষৰ পেটেল, কুলদীপ যাদৱ আৰু লুংগি এন-গিদিয়ে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৬ অভাৰত ৪ টা উইকেট হেৰুৱাই ১৩৪ ৰান সংগ্ৰহ কৰি খেলি আছে।

ইপিনে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি চেন্নাই ছুপাৰ কিংছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

ooooo

সমাপ্ত